# নতুন মণ্ডলী আৰম্ভ কৰক

ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে C7b অধ্যয়ন পঢ়া উচিত।

**প্ৰাৰ্থনা ঃ** "প্ৰিয় প্ৰভু, কোনো বিশ্বাসী লোক নথকা ঠাইবিলাকত, আপোনাৰ পবিত্ৰ আত্মাৰ শক্তিৰে আপোনাৰ আদেশ পালন কৰি শিষ্য কৰিবলৈ আমাৰ মণ্ডলীক সহায় কৰক।"


**১। প্ৰাৰ্থনা আৰু ঈশ্বৰৰ বাক্যৰে নতুন মণ্ডলী আৰু গোটবোৰ আৰম্ভ কৰিবলৈ প্ৰস্তুত কৰক।**

এটা মণ্ডলী হৈছে যীচুৰ সেৱকসকলৰ সমাজ।

মথি **২৮ঃ১৮-২০** পদত চাওক, প্ৰকৃত বিশ্বাসী হ'বলৈ, নতুন বিশ্বাসী সকলক আপুনি কি শিকাব লাগে। *(উত্তৰ ঃ তেওঁলোক বাপ্তাইজিত হ'ব লাগিব আৰু যীচুৰ আজ্ঞা পালন কৰিব লাগিব। সাতটা মূল আজ্ঞাত একেবাৰে সহজভাৱে তেওঁ আদেশ দিছিল। প্ৰথম মণ্ডলীয়ে আৰম্ভণিৰে পৰা যীচুৰ আজ্ঞাবোৰ পালন কৰিছিল। পাঁচনিবিলাকে যি ঠাইবিলাকত এইদৰে শিষ্য কৰিছিল, তাতে সমাজ বাঢ়ি গৈছিল।)*

**পাঁচনিৰ কৰ্ম্ম ২ঃ৩৭-৪৭** পদত চাওক, নতুন নিয়মৰ মণ্ডলীত বিশ্বাসীসকলে কিদৰে যীচুৰ আজ্ঞা পালন কৰিছিল।

- যীচুৰ কোনটো আজ্ঞা পিতৰে বিশ্বাসীবিলাকক প্ৰথমে পালন কৰিবলৈ কৈছিল? *(৩৮ পদ)*



- কোনটো আজ্ঞাই অনুতাপিত পাপীয়ে পালন কৰাত, বিশ্বাসী বুলি গণনা কৰা হৈছিল? *(৪১ পদ)*
- যীচুৰ আজ্ঞাৰ দৰে, কোন চাৰিটা কামত বাপ্তাইজিত বিশ্বাসীসকলে নিজকে উৎসৰ্গ কৰিছিল? *(৪২ পদ)*
- ৪২ পদৰ কোনটো কাৰ্য্যই (পাঁচনিবিলাকৰ শিক্ষা মানি লোৱা, প্ৰভুৰ মৃত্যু সোঁৱৰণ কৰি পিঠা ভঙা, সহভাগিতা আৰু প্ৰাৰ্থনা) স্পষ্টকৈ বিশ্বাসীবিলাকে কেনেকৈ পৰস্পৰে প্ৰেম কৰিব লাগে?
- যীচুৰ আন কি প্ৰধান আজ্ঞাই তেওঁবিলাকৰ মৰমৰ সহভাগিতাক আগুৱাই নিছিল? *(৪৪-৪৫ পদ)*

কি ধৰণৰ লোকক আপোনাৰ জাকক দিবলৈ ঈশ্বৰে প্ৰতিজ্ঞা কৰিছে? ইফিচীয়া ৪ঃ১১-১২।

সেই পাঁচবিধ লোকৰ কোন দুই ধৰণৰ লোকে সাধাৰণতে নতুন মণ্ডলী / সমাজ আৰম্ভ কৰিবলৈ আন আগুৱাই নিয়া উচিত? *(উত্তৰ ঃ পাঁচনি আৰু শুভবাৰ্ত্তা প্ৰচাৰকসকল।)*

## নতুন মণ্ডলী / সমাজ আৰু গোটবোৰ আৰম্ভ কৰাৰ নিয়মাৱলী

**নিয়মাৱলী #১ ঃ** স্থানীয় অৱস্থাত খাপ খোৱা নীতিবোৰ ব্যৱহাৰ কৰিব। সদায় একে নীতিবোৰ আপুনি অনুসৰণ নকৰিলেও হ'ব। বেচিভাগ গোটে তলত দিয়া তিনিটা নীতিৰ এটাকে লৈ আৰম্ভ কৰে। আপোনাৰ অৱস্থাত উত্তম ভাৱে খাপ খোৱা নীতি বাচি ল'ব।

১। **স্থাপনকৰণ ঃ** এগৰাকী মণ্ডলী স্থাপন কৰোঁতে অথবা মণ্ডলী স্থাপন কৰা এটি গোটক অন্য ঠাইত আন সংস্কৃতিৰ লোকবিলাকৰ মাজত মণ্ডলী স্থাপন কৰিবলৈ মাতৃ মণ্ডলীৰ পৰা পঠোৱা হয়।

২। Birthing ঃ মাতৃ মণ্ডলীৰ সভ্য/সভ্যাসকলে ওচৰৰ সমাজত শুভবাৰ্ত্তা প্ৰচাৰ কৰে, ন-বিশ্বাসীসকলক শিষ্য কৰে আৰু সেই সমাজত নতুন চলাওঁতাসকল প্ৰশিক্ষণ দিয়ে। কোনেও মাতৃ মণ্ডলীক এৰিব নালাগে। পাঁচনিৰ কৰ্ম্ম ১০ অধ্যায়ত এটি উদাহৰণ আছে।

৩। **লগ লাগি একে ঠাইতে থকা ঃ** অনেক বিশ্বাসীসকলে মাতৃ মণ্ডলী ত্যাগ কৰি ওচৰৰ নতুন জাকৰ নিমিত্তে এক মূল আশ্ৰয় গঠন কৰে। এই কাৰ্য্য চহৰৰ ডাঙৰ মণ্ডলীবোৰৰ বাবে উত্তম য'ত একে সংস্কৃতিৰ গোটৰ ভিতৰত যাতায়ত সহজ। বাইবেলত ইয়াৰ কোনো দৃষ্টান্ত নাই।

**নিয়মাৱলী #২ ঃ** য'ত আপোনাৰ লগ সঙ্গ আছে তাতে কাৰ্য্য কৰক। যেতিয়া পৰিচৰ্য্যাকাৰী সকলে নিজৰ বন্ধুবৰ্গ অথবা পৰিয়ালৰ ওচৰলৈ যায়, তেতিয়া সাধাৰণতে নতুন সমাজ/মণ্ডলী আৰম্ভ কৰা সহজ।

**নিয়মাৱলী #৩ ঃ** আটাইতকৈ উত্তম সঁহাৰি দিয়া জনসংখ্যাৰ কেন্দ্ৰ কৰক। লোকবিলাকৰ সঁহাৰি নাপালে আপোনাৰ ভৰিৰ ধূলি "জোকাৰি পেলাবলৈ" কোৱা যীচুৰ আজ্ঞা সোঁৱৰণ কৰক। কিছুমান নতুন মণ্ডলী অকৃতকাৰ্য্য হয় কাৰণ মানুহৰ বেলেগ বেলেগ যিহে ভুল বুজাৰ সৃষ্টি কৰে। গালাতীয়াত হোৱাৰ দৰে এটা ডাঙৰ গোটত সংস্কৃতি ভিন্নতাৰ বিবাদ হোৱাতকৈ, কেইবাটাও সৰু সৰু গোট আৰম্ভ কৰা উত্তম (এই সম্পৰ্কে আপুনি যদি সজাগ নহয়, তেন্তে গালাতীয়া মণ্ডলীৰ লোকসকললৈ লিখা পৌলৰ পত্ৰখন পঢ়ক)।

**নিয়মাৱলী #৪ ঃ** সপ্তাহটোত বিশ্বাসীসকল উপাসনাৰ বাবে একগোট হোৱা পিছতো শুভবাৰ্ত্তা প্ৰচাৰ কৰি থাকক। মানুহবিলাক গোট খোৱা পিছত, তেওঁলোকৰ কাম কৰা হ'ল প্ৰচাৰকে ভাবে, সেয়ে কিছুমান জাক বিলাক কৃতকাৰ্য্য নহয়।

**নিয়মাৱলী #৫ ঃ** গোট সংখ্যাত তাকৰ হলেও উপাসনা কৰাৰ আঁচনি ভালদৰে কৰক। কিছুমান নতুন লোক আঁতৰি যায়, কাৰণ এলেহুৱা প্ৰচাৰক সকলে উপাসনাক অৰ্থপূৰ্ণ নকৰে।

**নিয়মাৱলী #৬ ঃ** প্ৰতিগৰাকী কৰ্ম্মীৰ কামবোৰ নিধাৰ্য্য কৰক। প্ৰতিজনে কৰিবলগীয়া কামৰ বিষয়ে নিশ্চিত হওক। প্ৰতিজনে ভালকৈ কৰা কাম কৰিবলৈ দিয়ক। তেওঁৰ স্ত্ৰীয়ে কি কৰিব বা নকৰিব সেই বিষয়ে কৰ্ম্মীজনে সন্মতি দিয়ক। কিছুমানে কৃতকাৰ্য্য হ'ব নোৱাৰে কাৰণ তেওঁলোকক জোৰকৈ কৰিবলৈ দিয়া হয় অথবা তেওঁলোকক এৰি দিয়া অনুভৱ কৰে।

### ২। সপ্তাহটোত বিশ্বাসীসকলে কৰিবলগীয়া কামৰ আঁচনি সহকৰ্ম্মীসকলৰ লগত কৰক।

ওচৰৰ অৱহেলিত সমাজত থকা সকলক লৈ নতুন মণ্ডলী আৰম্ভ কৰক। এটা নতুন দল এটা মণ্ডলী হয়, যেতিয়া নতুন নিয়মত কোৱাৰ দৰে বিশ্বাসীসকলে সকলো কাম কৰে। ইয়াত যীচুৰ আজ্ঞা আৰু তেওঁৰ আজ্ঞাৰ পৰা উৎপন্ন হোৱা আন কামবোৰো চামিল কৰা আছে।

তলত দিয়া তালিকাত আপোনাৰ মণ্ডলী, অথবা আপুনি আৰম্ভ কৰা নতুন মণ্ডলীয়ে কৰিবলগীয়া কামবোৰত চিন দিয়ক। সহকৰ্ম্মী সকলৰ লগত আঁচনি কৰি, সেইদৰে কৰক।

[ ] যীচুৰ সাক্ষ্য হওক আৰু অনুতাপিত পাপীসকলক বিশ্বাসত মজবুত কৰি বাপ্তাইজিত কৰক।

[ ] নতুন মণ্ডলী আৰম্ভ কৰক আৰু অৱহেলিত লোকবিলাকলৈ কৰ্ম্মী পঠিয়াওক।

[ ] উপাসনা, লগতে প্ৰভু ভোজত কাৰ্য্যকৰীৰূপে ভাগ ল'বলৈ আটাই বিশ্বাসীসকলক সহায় কৰক।

[ ] মণ্ডলীত প্ৰেমৰ সহভাগিতা বঢ়াওক আৰু বিবাহ ও পৰিয়ালৰ জীৱনক মজবুত কৰক।

[ ] সমস্যাৰ মাজত থকা ব্যক্তি আৰু পৰিয়ালক মিলোৱা কাৰ্য্যত সহায় কৰক।

[ ] পবিত্ৰ আত্মাৰ পবিত্ৰতা, দৈনিক শুদ্ধিকৰণ আৰু ৰূপান্তৰ কৰাত সকলোকে সহায় কৰক।

[ ] অন্য লোকৰ প্ৰয়োজন পূৰ কৰিবলৈ মুক্তহস্তে দান কৰক।

[ ] প্ৰাৰ্থনা কৰক, মধ্যস্থ হৈ কাৰ্য্য কৰক, ভূত-পিশাচৰ বিৰুদ্ধে আত্মিক যুঁজ কৰক আৰু পৰিয়ালত দৈনিক প্ৰাৰ্থনাৰ নিমিত্তে সহায় কৰক।

[ ] লোকবিলাকৰ জীৱনত ঈশ্বৰৰ বাক্য প্ৰয়োগ কৰক আৰু মিছা বাক্য শিকোৱা ৰাংকুকুৰ প্ৰতি সাৱধান হওক।

[ ] নতুন মণ্ডলী চলোৱা বৃদ্ধলোকক মিশ্যেনেৰী আৰু চলাওঁতা সকলক প্ৰশিক্ষণ দিয়ক।

[ ] লোকবিলাকক সংগঠিত কৰক, যাতে যেন সকলো বিশ্বাসীবিলাকে তেওঁলোকৰ বিভিন্ন আত্মিক বৰবিলাক ব্যৱহাৰ কৰি পৰিচৰ্য্যা কৰিব পাৰে।

[ ] ওচৰৰ মণ্ডলীবোৰৰ লগত লগ লাগি কাম কৰি এই কামবোৰ কৰাত তেওঁলোকক সহায় কৰক।

**৩। হ'ব লগীয়া উপাসনাৰ আঁচনি আপোনাৰ সহ-কৰ্ম্মী সকলৰ লগত কৰক।**

নতুন নিয়মৰ মণ্ডলী কিদৰে আৰম্ভ হৈছিল, গল্পটো কওক, পাঁচনিৰ কৰ্ম্ম ২ঃ৩৭-৪৭ আৰু ওপৰত তালিকাত দিয়াৰ পৰা প্ৰশ্ন সোধক।

ইফিচীয়া ৪ঃ১১-১২ পৰা বৰ্ণনা কৰক যে নতুন মণ্ডলী আৰম্ভ কৰিবলৈ আপোনাৰ মণ্ডলীক ঈশ্বৰে মানুহ দিছে আৰু এইদৰে কৰিবলৈ ঈশ্বৰৰ পৰা সহায়কাৰী বিচাৰক।

মথি ২০ঃ১৮-২০ পদত দিয়া যীচুৰ আজ্ঞাবোৰ বৰ্ণনা কৰক - শিষ্য কৰিবলৈ যিবিলাকে যীচুৰ আজ্ঞাবোৰ পালন কৰে। আপোনাৰ মণ্ডলীয়ে যীচুৰ প্ৰধান আজ্ঞাবোৰ জনাত নিশ্চিত হওক।

নতুন মণ্ডলী আৰম্ভ কৰাৰ ওপৰত দিয়া ৬টা নিৰ্দ্দেশাৱলী ব্যাখা কৰক।

আপোনাৰ মণ্ডলী বৃদ্ধি পাবলৈ, ওপৰত চিন দিয়া **যিকোনো কৰিবলগীয়া কাম বৰ্ণনা কৰক**। নতুন মণ্ডলী আৰম্ভ কৰা কৰ্ম্মচাৰী সকলক তেওঁলোকৰ বৃদ্ধিৰ ৰিৰ্পোট দিবলৈ কওক।

আপোনাৰ মণ্ডলীয়ে যুগুত কৰাবোৰ পৰিবেশন কৰিব দিয়ক।

ইজনে সিজনৰ কাৰণে প্ৰাৰ্থনা কৰিবলৈ, নতুন মণ্ডলী স্থাপন কৰাৰ আঁচনি আৰু নতুন নিয়মে বিচৰা কিছুমান কাম বৃদ্ধি কৰিবলৈ দুই বা তিনি ব্যক্তিৰ গোটবোৰ গঠন কৰক।

কৰ্ম্মীবোৰে আন্তিয়খিয়াৰ মণ্ডলীৰ দৰে মণ্ডলী আৰম্ভ কৰক (পাঁচনিৰ কৰ্ম্ম ১৩ঃ১-৩)।

প্ৰভু ভোজৰ পৰিবেশন কৰিবলৈ পাঁচনিৰ কৰ্ম্ম ২ঃ৪২, ৪৬ পঢ়ক। ব্যাখা কৰক যে নতুন মণ্ডলীয়ে আৰম্ভৰে পৰা প্ৰভুৰ ভোজ পালন কৰক আৰু সেয়ে তেওঁলোকে ঘৰত কৰক।

**মুখস্থ কৰক ঃ** ইফিচীয়া ৪ঃ১১-১২।

Copyright 2004 © by Paul-Timothy. May be freely copied.
Download from www.Paul-Timothy.net